


# অসমীয়া শিশু-সাহিত্য

ড° নয়নমণি বৰুৱা

গ্ৰন্থখনত শিশু-সাহিত্যৰ সংজ্ঞা আৰু স্বৰূপৰ লগতে অসমীয়া শিশু-সাহিত্যৰ উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে বিশদ আলোচনা সন্নিবিষ্ট হৈছে। বিশ্বৰ কেইবাটাও ভাষাৰ শিশু-সাহিত্যৰ প্ৰসংগ, যুগ-বিভাজনৰ আধাৰত অসমীয়া শিশু-সাহিত্যৰ আলোচনা, কেইগৰাকী বিশিষ্ট অসমীয়া শিশু-সাহিত্যিকৰ বিষয়ে বিস্তৃত আলোচনা, শিশু-সাহিত্যৰ লগত জড়িত আন কেতবোৰ প্ৰাসংগিক বিষয় আদিৰ গৱেষণামূলক বিশ্লেষণেৰে গ্ৰন্থখন সমৃদ্ধ। শতাধিক অসমীয়া শিশু-গ্ৰন্থৰ তালিকাৰ সংযোজনে গ্ৰন্থখনক সুকীয়া বিশেষত্ব প্ৰদান কৰিছে। অসমীয়া শিশু-সাহিত্যৰ ব্যাপক আৰু বিস্তৃত অধ্যয়নেৰে সমৃদ্ধ বৃহৎ কলেৱৰৰ গ্ৰন্থখনে নিশ্চয়কৈ অনুসন্ধিৎসু পাঠকসকলক গৱেষণাৰ সমল যোগান ধৰিব।

Purbayon Publication
পূৰ্বায়ণ



২০০৯ চনৰপৰা গাইছাটা চাৰিআলিস্থিত পুৰ কামৰূপ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা হিচাপে কৰ্মৰত ড° নয়নমণি বৰুৱাৰ জন্ম হয় শিৱসাগৰ জিলাৰ নামতি চাৰিআলিৰ অন্তৰ্গত গৰখীয়া গাঁৱত। তেওঁ নাজিৰা মহাবিদ্যালয়ৰপৰা ২০০৬ চনত অসমীয়া বিষয়ত ডিষ্টিংচনসহ প্ৰথম শ্ৰেণীৰ স্নাতক আৰু ২০০৮ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা প্ৰথম শ্ৰেণীৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ২০১৪ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰপৰা 'অসমীয়া শিশু-সাহিত্যত স্বদেশ পৰিৱেশ' শীৰ্ষক বিষয়ত পিএইচ. ডি. ডিগ্ৰী লাভ কৰে। অনাতাঁৰ কেন্দ্ৰ, ডিব্ৰুগড়ৰ অংশকালীন ঘোষিকা হিচাপে কৰ্মজীৱন আৰম্ভ কৰা বৰুৱাৰ বৰ্তমানলৈকে 'অসম সাহিত্য সভা পত্ৰিকা', 'গৰীয়সী', 'সাতসৰী', 'মুকুতা' আদি আলোচনীত গৱেষণাধৰ্মী প্ৰবন্ধ, গল্প আদি প্ৰকাশ হোৱাৰ লগতে বিভিন্ন সম্পাদিত গ্ৰন্থ, আলোচনীত প্ৰবন্ধ, অনুবাদ গল্প, কবিতা আদিও প্ৰকাশিত হৈছে। তেওঁৰ শিশু-গল্পৰ সংকলন হ'ল 'বনদেৱীৰ কিং ৰাজৰ পাৰ্টি' (২০২১)।